# চতুৰ্থ অধ্যায়

## ৪.০ বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যত স্বদেশপ্ৰেম

### ৪.১ বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্য ঃ

সাহিত্যৰ সকলো বিভাগৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ বিভাগ হ'ল - শিশু সাহিত্য। ভৱিষ্যৎ চালিকাশক্তিস্বৰূপ শিশুৰ মানসিক চৰিত্ৰ গঠন তথা সামগ্ৰিক বিকাশত শিশু সাহিত্যৰ ভুমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। শিশুৰ মনত মানবীয় গুণৰাশি বিকাশ ঘটাই দায়িত্বশীল সুনাগৰিক কৰাৰ লগতে উপযুক্ত শিশু সাহিত্যই শিশুৰ মনত অনুসন্ধিৎসা ভাব জগাই ন ন জ্ঞানৰ সন্ধান দিব পাৰে। সেয়ে শিশু সাহিত্য এটি স্পষ্ট নীতি আৰু আদৰ্শৰ অনুগামী হয়। বিশ্বৰ বিভিন্ন প্ৰান্তত এক স্থিৰ আদৰ্শ আৰু স্পষ্ট নীতি আগত ৰাখি শিশু সাহিত্য সৃষ্টি হৈ আহিছে।[১] প্ৰকৃততে সময়োপযোগী উপযুক্ত শিশু সাহিত্য সৃষ্টি আৰু অধ্যয়নে শিশুসকলৰ ব্যক্তিত্ব বিকাশ ঘটাই সুস্থ নাগৰিক কৰি গঢ়ি তোলাৰ এক নিৰলস প্ৰচেষ্টা শিশু সাহিত্যৰ উদ্দেশ্য আৰু লক্ষ্য।

> শিশুৰ মানসিক বিকাশত সহায় কৰা দয়া, মৰম, সহানুভূতি, কল্পনা আদি সুকুমাৰ বৃত্তিবোৰৰ উৎকৰ্ষ সাধন কৰা, অনুসন্ধিৎসা বৃদ্ধি কৰা, আত্মকেন্দ্ৰিক স্তৰৰ পৰা সামাজিক ভাৱ-চিন্তাৰ অৱস্থালৈ উন্নীত কৰা; শৃঙ্খলাবোধ সৃষ্টিত সহায় কৰা; পৰনিৰ্ভৰশীল অৱস্থাৰ পৰা আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰা, সৌন্দৰ্যবোধৰ উন্মেষ কৰা, সু-নাগৰিকত্বৰ

---

১। "পাশ্চাত্যৰ দেশবিলাকৰ ভিতৰত কিছুমানে নিজ দেশক আগবঢ়াই নিয়াৰ এক সংগ্ৰামী মনোভাৱ শিশুৰ মনত সৃষ্টি কৰিবলৈ শিশু সাহিত্য ৰচনা কৰিছে। কোনোৱে আকৌ শিশুৰ মনত দেশপ্ৰেম জাগ্ৰত কৰিবৰ বাবে শিশু সাহিত্য ৰচনা কৰিছে। ৰুছ দেশত শিশুৰ মনত আনন্দ দানৰ লগতে সাম্যবাদৰ বীজ শিশুসকলৰ মনত ৰোপন কৰাৰ চেষ্টা কৰা হৈছে। ফ্ৰান্সত আকৌ শিশু সাহিত্যৰ মাজেৰে শিশুসকলক এক দৃঢ় মানসিক শক্তি দিয়াৰ চেষ্টা কৰা হৈছে যাতে ভৱিষ্যতে যিকোনো পৰিস্থিতিৰ মোকাবিলা কৰাত তেওঁলোক সক্ষম হয়।"
— অতুল চন্দ্ৰ মহন্ত, 'অসমীয়া শিশু সাহিত্যৰ উত্তৰণ ঃ কিছু প্ৰাসঙ্গিক কথা', *লিডু*, সম্পা. মোহন বৰুৱা, পৃ. ৪৫৯

> বীজ ৰোপণ কৰা; বয়স অনুসৰি নৈতিক আৰু প্ৰকৃতি তত্ত্বৰ ধাৰণাৰ আভাস দিয়া শিশু সাহিত্যৰ প্ৰধান উদ্দেশ্য আৰু আদৰ্শ হোৱা উচিত।[২]

অসমীয়া শিশু সাহিত্যও তাৰ ব্যতিক্ৰম নহয়। 'অৰুনোদই' যুগতে [৩] সৃষ্টি হোৱা অসমীয়া শিশু সাহিত্যৰ প্ৰবহমান ক্ৰমবিকাশৰ ধাৰাটিত অৰিহণা যোগাৱাসকলৰ অন্যতম এজন শিশু সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱাও এজন। বিনন্দ চন্দ্ৰ বৰুৱাই দেশৰ শিশু সকলৰ প্ৰাণত অনুসন্ধিৎসু ভাৱ আৰু স্বদেশ চেতনা জাগ্ৰত কৰিবৰ বাবে কেতিয়াবা গল্পৰ ছলেৰে আৰু কেতিয়াবা কাহিনীৰ ছলেৰে অসমৰ লগতে ৰাজস্থান প্ৰদেশৰ বীৰ যোদ্ধাসকলৰ বীৰত্বপূৰ্ণ কাহিনী বৰ্ণনা কৰিছে। মাতৃভূমি উদ্ধাৰৰ নিমিত্তে উছৰ্গিত প্ৰাণা কৰি তুলিবৰ বাবে এনে কাহিনী, ঘটনা বৰ্ণনাই শিশু সাহিত্য লানি উপভোগ্য কৰি দাঙি ধৰিছে। শিশুৰ চৰিত্ৰ আৰু আদৰ্শ অনুকৰণৰ বাবে মহৎ লোকৰ জীৱনী শিশু উপযোগীকৈ ৰচনা কৰিছে। 'মহাৰাজ নৰনাৰায়ণ', 'ৰাজস্থানৰ গল্প', 'ল'ৰাৰ বেজবৰুৱা', 'আমাৰ লক্ষ্মীনাথ' আৰু 'অসম গৌৰৱ' বিনন্দ চন্দ্ৰ বৰুৱাই ৰচনা কৰা শিশু সাহিত্য পুথি। এইলানি শিশু সাহিত্য সৃষ্টিৰে বিনন্দ চন্দ্ৰ বৰুৱাই অসমীয়া শিশু সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। তলত পুথিকেইখনৰ পৰিচয় দাঙি ধৰা হ'ল।

### ৪.১.১ মহাৰাজ নৰনাৰায়ণ ঃ

'মহাৰাজ নৰনাৰায়ণ' (১৯২৬) বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰথম শিশু সাহিত্যৰ পুথি। 'অসমৰ

---

২। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ৪৪২

৩। "শিশু সাহিত্যই প্ৰথম পাতনি মেলে অৰুণোদয় কালতে ১৯৪৬ চনত। খৃষ্টান মিছনেৰীসকলৰ যত্নত প্ৰকাশ পোৱা অৰুণোদয় কাকতত বাইবেলৰ বিভিন্ন গল্প চমুকৈ প্ৰকাশ পাইছিল। লগতে দেশ-বিদেশৰ বিভিন্ন সাধু বা নীতি কথা নিহিত থকা শিশু উপযোগীকৈ তেওঁলোকে ছপা কৰিছিল। ব্ৰাউন, ব্ৰন্‌ছন, কটৰ, আদি মিছনেৰীসকলে ৰচনা কৰি প্ৰকাশ কৰা সেই সময়ৰ শিশু সাহিত্যৰ ভিতৰত শুৱনী সভা, বাইবেলৰ সাধু, মাউৰী ছোৱালী, বুঢ়া, যুদ্ধ নায়ক, ৰেবীৰ কাহিনী, ধাৰ্মিক চাহাব, সৰুকালৰ ধৰ্ম, ঈগলৰ বাহ, আফ্ৰিকাৰ কোঁৱৰ আদি উল্লেখযোগ্য। ইয়াৰ উপৰিও মিছনেৰীসকলে পঢ়াশালিৰ উপযোগী কৰি শিশু পাঠ্যও ৰচনা কৰিছিল। আমাৰ অসমীয়া ভাষা সাহিত্যৰ পৰম হিতাকাংক্ষী আনন্দৰাম ঢেকীয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ'ও এই সময়ৰে ৰচনা।"
— নীলিমা শৰ্মা, 'শিশুৰ মানসিক বিকাশ আৰু বৰ্তমান শিশু সাহিত্য', *সাহিত্য চিন্তা*, চতুৰ্দশ সংখ্যা, ২০১১ খ্ৰীঃ, সম্পা. সুৰেশ নেওগ, পৃ. ৮১

বিক্ৰমাদিত্য' জ্ঞান কৰা নৰনাৰায়ণ ৰজাক কেন্দ্ৰ কৰি এই পুথি ৰচিত। 'আগকথা', 'কোঁচ বংশৰ উৎপত্তি', 'মহাৰাজ বিশ্বসিংহ', 'নৰনাৰায়ণ আদি ৰাজ পুত্ৰসকলৰ শিক্ষা, 'বিশ্বসিংহৰ মৃত্য মহাৰাজ নৰনাৰায়ণ', 'নৰনাৰায়ণৰ ৰাজত্ব', 'আহোম দেশ আক্ৰমণ', 'নৰনাৰায়ণৰ আন আন ৰজাৰ লগত যুদ্ধ', 'গৌড়-ৰজাৰ লগত যুদ্ধ', 'কামাখ্যা সংস্কাৰ কৰা কথা', 'গৌড় বিজয়-চিলাৰায়ৰ মৃত্যু', 'নৰনাৰায়ণৰ ৰাজসভা', 'নৰনাৰায়ণৰ বংশধৰ', 'মহাৰাজ নৰনাৰায়ণ ৰজাৰ চমু কথা' আদি শিৰোনামাৰে মুঠ চৈধ্যটা লেখাৰ সমষ্টি এই পুথি। অসম সাহিত্য সভাৰ 'কমলাদেৱী শিশু সাহিত্য বঁটা'[৪] লাভ কৰা এই পুথি অসমৰ শিশু সাহিত্য জগতলৈ বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্যতম অৱদান।

### **৪.১.২ ৰাজস্থানৰ গল্প ঃ**

দ্বিতীয় শিশু সাহিত্য পুথি 'ৰাজস্থানৰ গল্প' (১৯৩৬)। মহামতি টড চাহাবৰ বিখ্যাত গ্ৰন্থ 'ৰাজস্থানৰ ইতিবৃত্ত' (Annals and Antiquities of Rajasthan)ৰ পৰা বছা বছা গল্পৰ আধাৰত 'ৰাজস্থানৰ গল্প' যুগুত কৰিছিল।দ্বিতীয়বাৰৰ বাবে অসম সাহিত্য সভাৰ 'কমলাদেৱী শিশু সাহিত্য বঁটা'প্ৰাপ্ত এই পুথিৰ প্ৰথম তাঙৰণ প্ৰকাশ পাইছিল ১৮৫৭ শকত অৰ্থাৎ ১৯৩৬ চনত। 'ৰাজস্থান', 'শিলাদিত্য', 'গিহেলাট', 'মেৱৰৰ আগৰ কথা আৰু পদ্মিনী', 'চিতোৰ উদ্ধাৰ', 'পৃথ্বীৰাজ আৰু জয়মল্লৰ কথা', 'মহাৰাণা প্ৰতাপসিংহ', 'আকবৰ আৰু দুৰ্গা দাস', 'সংগ্ৰামসিংহ দ্বিতীয়', 'ৰাঠোৰ ৰামসিংহ', 'বিজয়সিংহ', 'বিকানীৰ', 'প্ৰধান ৰাজপুত বংশ উদ্ভৱ', 'চোবে জয়সিংহ' ইত্যাদি বিভিন্ন শিৰোনামেৰে মুঠ ৪৭ টা পৰিচয়মূলক টোকা এই পুথিত সন্নিৱিষ্ট হৈ আছে। ইয়াৰ জৰিয়তে বীৰৰ বীৰত্ব, প্ৰভুভক্ত চৰ্দ্দাৰ, দেশপ্ৰাণ সৈনিক, আত্মসন্মানী তিৰোতা, বিবিধ নীতিশিক্ষাৰ লগতে মানুহে নিজৰ জন্মভূমিক প্ৰাণ দিও কেনেকৈ ৰক্ষা কৰে তাৰ অলেখ উদাহৰণ এই গ্ৰন্থত দাঙি ধৰিছে। শিশু সাহিত্য জগতত অন্যতম এক সংযোজন এই পুথি বৰুৱাৰ অনবদ্য দান।

---

৪। 'মই লিখো কিয় ?', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৩৮

### ৪.১.৩ ল'ৰাৰ বেজবৰুৱা ঃ

'ল'ৰাৰ বেজবৰুৱা' (১৯৩৮) অন্য এখন বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যৰ পুথি। মহৎ লোকৰ জীৱন-চিন্তা-ভাবনা আৰু কৰ্মৰাজিৰ লগত পৰিচয় কৰোৱাৰ উদ্দেশ্য আগত ৰাখি ৰচনা কৰা এই পুথিত মুঠ চাৰিটি লেখা সন্নিৱিষ্ট। 'জাতীয় সংগীত', 'বেজবৰুৱাক কিয় ভাল পাওঁ', 'জন্ম আৰু ল'ৰাকাল', আৰু 'শিক্ষা আৰু সাহিত্য চৰ্চা' লেখাসমূহৰ জৰিয়তে অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ লক্ষ্মীনাথ বেজবৰুৱাৰ মহত্ব বৰ্ণনাই শিশুৰ প্ৰাণত বেজবৰুৱা প্ৰীতি আৰু প্ৰেৰণা সঞ্চাৰ কৰিব বিচাৰিছে। আধুনিক ভাষা-সাহিত্যৰ গৰাকী বেজবৰুৱাৰ সমগ্ৰ সত্তাত নিহিত হৈ থকা স্বদেশহিতৈষণাৰ কথা এই গ্ৰন্থই শিশুসকলৰ সন্মুখত দাঙি ধৰিছে। বিনন্দ চন্দ্ৰ বৰুৱাৰ মতে, '... দেশৰ হিতৈষণাৰ মাজেদি সাহিত্য সেৱা কৰাই বেজবৰুৱাৰ মুখ্য উদ্দেশ্য।'[৫] পুথিখনিৰ জৰিয়তে বিনন্দ চন্দ্ৰ বৰুৱাই স্বদেশহিতৈষী, স্বজাতি হিতৈষী বেজবৰুৱাৰ মাতৃভাষা প্ৰেম, জাতিপ্ৰেম প্ৰতিষ্ঠাৰ জৰিয়তে শিশুসকলক প্ৰভাৱান্বিত কৰিব বিচাৰা কাৰ্য পৰিস্ফুট। উল্লেখযোগ্য যে, এই গ্ৰন্থখনি যুগুত কৰোঁতে অন্য এজন ব্যক্তি 'নৰেন্দ্ৰনাথ বৰুৱা'ৰ সহায়ৰ কথা 'ল'ৰাৰ বেজবৰুৱাৰ বিষয়ে একাষাৰ'ত উল্লেখ কৰিছে।[৬]

### ৪.১.৪ আমাৰ লক্ষ্মীনাথ ঃ

'আমাৰ লক্ষ্মীনাথ' (১৯৬৪) বিনন্দ চন্দ্ৰ বৰুৱাৰ লক্ষ্মীনাথ বেজবৰুৱাকেন্দ্ৰিক দ্বিতীয়খন শিশু সাহিত্য পুথি। কম পৰিসৰত লক্ষ্মীনাথ বেজবৰুৱা জীৱনৰ কেইবাটাও দিশৰ বৰ্ণনাৰে আৰু আনুষংগিক, সাময়িক সম্বন্ধযুক্ত কথাৰে এই পুথিখনি বিনন্দ চন্দ্ৰ বৰুৱাই যুগুত কৰিছিল। শিশু উপযোগীকৈ সহজ-

---

৫। 'বেজবৰুৱাক কিয় ভাল পাওঁ', ল'ৰাৰ বেজবৰুৱা, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩৭০

৬।"... দ্বিতীয় কথাটো, সৰু পুথিখন লিখিবলৈ দুজন কিয় লগা হল' এই বিষয়ে দদাইদেউৱেই সুবিধা কৰি দিলে। সেই সময়ত ঘৰুৱা, পৰুৱা আৰু অন্যান্য বহুত কামৰ জঞ্জালে মোক সাহিত্যৰ ফালৰ পৰাই আঁতৰাই নিব খুজিছিল। শ্ৰীমান নৰেনে বহুতখিনি কাম কৰি নিদিয়াহেঁতেন কিতাপ লিখাই নহ'লহেঁতেন।"
- 'ল'ৰাৰ বেজবৰুৱাৰ বিষয়ে একাষাৰ', ল'ৰাৰ বেজবৰুৱা, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩৬৩

সৰল ভাষাৰে বেজবৰুৱা 'আমাৰ হোৰা'ৰ গুৰি কথা বৰ্ণনা কৰিছে। স্বদেশপ্ৰেমিক বেজবৰুৱাক শিশুৰ মনত প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰা অৰ্থাৎ জাতিৰ আপোনৰো আপোন হোৰাৰ গুৰিৰ কথা বৰ্ণনা কৰিছে। স্বদেশপ্ৰেমিক বেজবৰুৱাক শিশুৰ মনত প্ৰতিষ্ঠা কৰিবলৈ কৰা এই কাৰ্য বৰুৱাৰ অন্যতম এক কৃতি।

**৪.১.৫ অসম গৌৰৱ ঃ**

১৯৬৪ চনত প্ৰকাশিত বিনন্দ চন্দ্ৰ বৰুৱাৰ শেষৰখন শিশু সাহিত্য পুথি 'অসম গৌৰৱ'। অসমী আইৰ গৌৰৱৰ মধ্যমণিসকলক লৈ বিশেষকৈ ১৯৫৮ চনলৈকে যিসকল লোকে দেশৰ স্বাধীনতাৰ নিমিত্তে পুৰুষাৰ্থ কৰিছিল, সেইসকলৰ কাহিনীৰ আধাৰত এই গ্ৰন্থ ৰচিত। 'নৰকাসুৰ আৰু ভগদত্ত', 'ভীষ্মক ৰজা', 'বাণ ৰজা', 'কুমাৰ ভাস্কৰ বৰ্ম্মা', 'আৰিমত্ত', 'প্ৰতাপসিংহ বা বুদ্ধিস্বৰ্গ নাৰায়ণ', 'মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়', 'মূলাগাভৰু', 'চক্ৰধ্বজ সিংহ আৰু লাচিত বৰফুকন', 'জয়মতী আৰু গদাধৰ সিংহ', 'স্বৰ্গদেউ ৰুদ্ৰসিংহ', 'তুলাৰাম সেনাপতি', 'গমধৰ কোঁৱৰ', 'পিয়লি ফুকন', 'মণিৰাম দেৱান আৰু পিয়লি বৰুৱা', 'সেনাপতি টিকেন্দ্ৰজিৎ', 'মাণিকচন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱা', 'দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা', 'কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ', 'দেশভক্ত তৰুণৰাম ফুকন', 'লোকপ্ৰিয় গোপীনাথ বৰদলৈ', 'নগাৰাণী গাইডালু', 'দেশপ্ৰাণ স্বৰ্গীয় কৃষ্ণপ্ৰাণ শৰ্মা', 'দেশসেৱক স্বৰ্গীয় ৰোহিনীকান্ত হাতীবৰুৱা', 'ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা'কে আদি কৰি মুঠ ৩২ টি এনেধৰণৰ স্বদেশপ্ৰেমিকৰ চমু জীৱনী বৰ্ণনা কৰিছে। গ্ৰন্থখনি প্ৰণয়ন কৰাৰ সন্দৰ্ভত বৰুৱাৰ মত এনেধৰণৰ —

> ১৯৫৮ চনত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে অসমৰ বিষয়ে কেইখনমান পুথি যুগুত কৰি প্ৰচাৰ কৰিবলৈ থিক কৰে। এই পুথিকেইখন লিখিবলৈ কেইবাজনকো ভাৰ দিয়ে। অসমৰ বীৰ-বীৰাঙ্গণাসকলৰ চমু জীৱনীৰে এখন অসমীয়া পুথি প্ৰণয়ন কৰাৰ ভাৰ মোৰ ওপৰত পৰে।[৭]

দেশৰ বীৰ-বীৰাঙ্গণা আৰু দেশভক্ত-দেশপ্ৰাণসকলৰ জীৱনী অধ্যয়নে শিশুৰ মনত স্বদেশপ্ৰেম

৭। নিবেদন, অসম গৌৰৱ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৩৫

জাগ্রত কৰে। শিশুসকলৰ প্ৰাণত দেশৰ প্ৰতি দায়িত্ব, কৰ্তব্য সোঁৱৰাই এনে পাঠৰ জৰিয়তে জগত পোহৰ কৰাই যেন এই পুথিৰ উদ্দেশ্য। দেশৰ গৌৰৱৰ ধ্বজা উৰুৱাই জাতিক ধন্য কৰাসকল স্বাভাৱিকতেই প্ৰেৰণাৰ উৎস। এই পুথি অসমীয়া শিশু সাহিত্যত বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্যতম সংযোজন।

### ৪.২ বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যত স্বদেশপ্ৰেম ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা আৰু নাটকত যিদৰে দেশৰ শৌৰ্য-বীৰ্যসম্পন্ন অতীতে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে ঠিক তেনেদৰে শিশু সাহিত্যৰাজিৰ বিষয়বস্তুও তদ্ৰূপ। অতীত অসমৰ বীৰ-বীৰাঙ্গনাৰ ত্যাগ আৰু স্বদেশ-চেতনা, মহৎ লোকৰ জীৱনী অধ্যয়ন, ৰাজস্থান মেৱাৰৰ ৰাজপুত বীৰসকলৰ বীৰত্বপূৰ্ণ কাহিনী আৰু স্বদেশপ্ৰেম বৰুৱাৰ শিশু সাহিত্যলানিৰ বিষয়বস্তু। এইক্ষেত্ৰত দেশৰ শিশুসকলক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্য আৰু লক্ষ্য পৰিলক্ষিত হয়। উল্লেখযোগ্য যে, দেশৰ বীৰ-বীৰাঙ্গনাসকলৰ সাহস, দেশপ্ৰেম আৰু আত্মোৎসৰ্গৰ কাহিনীয়ে যে কেৱল অতীতৰ উজ্জ্বল ছবি এখনহে দাঙি ধৰে, এনে নহয়। বৰ্তমান উপলব্ধি কৰোৱাৰ লগতে স্বদেশপ্ৰেমিক ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। সেই দৃষ্টিকোণৰ পৰা বৰুৱাৰ এইলানি সাহিত্য অত্যন্ত গুৰুত্বপূৰ্ণ। বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যলানিত প্ৰকাশিত স্বদেশপ্ৰেম তলত আলোচনা কৰা দিশসমূহৰ আধাৰত বিচাৰ কৰা হ'ল।

### ৪.২.১ বিষয়বস্তু নিৰ্বাচনত স্বদেশপ্ৰেমৰ ৰেঙনি ঃ

শিশু সাহিত্য ৰচনাৰ ক্ষেত্ৰত বিষয়বস্তু নিৰ্বাচন এক গুৰুত্বপূৰ্ণ বিষয়। শিশুক কেন্দ্ৰ কৰি ৰচনা কৰা সাহিত্যৰ বিবিধ বিষয়বস্তুৰ ভিতৰত স্বদেশপ্ৰেমো অন্যতম এক মহান বিষয়বস্তু। বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যলানিৰ বিষয়বস্তু নিৰ্বাচনত স্বদেশপ্ৰেম কেন্দ্ৰীয় ভাৱ হৈ ধৰা দিছে। দেশৰ শিশুসকলক মানসিকভাৱে সুস্থ-সবল, সজ চৰিত্ৰৰ গৰাকী, গুণী-জ্ঞানী, বিক্ৰমশীল, সামাজিক দায়বদ্ধসম্পন্ন আৰু কৰ্মযোগী কৰি গঢ়ি তুলিবৰ বাবে কৰা প্ৰচেষ্টা অত্যন্ত গুৰুত্বপূৰ্ণ। অসমীয়া জাতীয়তাবোধৰ মাজেৰে ভাৰতীয় চেতনা জাগ্ৰত কৰাৰ উদ্দেশ্য আৰু লক্ষ্য পৰিলক্ষিত হয়। মাতৃভূমিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু মাতৃভাষাৰ প্ৰতি গভীৰ ভালপোৱা ভাৱ শিশু অৱস্থাৰে পৰা জাগ্ৰত কৰি দেশৰ ডেকা শক্তি সদা সচেতন

আৰু সজাগ হোৱাৰ আহ্বান ধ্বনিত হৈছে। শিশু মনক আকৰ্ষণ কৰিব পৰাকৈ স্বদেশভক্ত বীৰ-বীৰাঙ্গনা, মহৎ লোকৰ জীৱন আৰু কৰ্মৰ লগতে অসম মাতৃৰ গৌৰৱ গাথা প্ৰকাশ অন্য এক গুৰুত্বপূৰ্ণ বিষয়। উপযুক্ত প্ৰকাশভংগী আৰু ভাষাৰীতিৰ ব্যৱহাৰ বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যলানিৰ বিষয়বস্তুক অধিক আকৰ্ষণীয়ভাৱে প্ৰতিষ্ঠা কৰিছে। শিশু সাহিত্যলানিৰ ই এক অন্যতম বৈশিষ্ট্য। এনে লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি যুগুত কৰা বৰুৱাৰ শিশু সাহিত্যলানিৰ বিষয়বস্তু চমৎকাৰপূৰ্ণ আৰু সদা প্ৰাসংগিক।

'মহাৰাজ নৰনাৰায়ণ', 'ৰাজস্থানৰ গল্প', 'ল'ৰাৰ বেজবৰুৱা', 'আমাৰ লক্ষ্মীনাথ', 'অসম গৌৰৱ' পুথিৰ বিষয়বস্তু নিৰ্বাচনতে প্ৰতিফলিত স্বদেশপ্ৰেম শিৰোনামতেই প্ৰচ্ছন্ন হৈ আছে। মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ৰ দেশপ্ৰেম, ৰাজ্য বিস্তাৰৰ কাহিনী, ৰাজস্থানৰ ৰাজপুত বীৰসকলৰ দেশমাতৃৰ প্ৰতি থকা গভীৰ আনুগত্য, ৰাজপুত ৰমনীসকলৰ দেশভক্তি আৰু আত্ম সন্মানৰ নিদৰ্শন পুথিকেইখনৰ বিষয়বস্তুৰ মূল আধাৰ।

লক্ষ্মীনাথ বেজবৰুৱাৰ সুউচ্চ স্বদেশ চেতনাৰ স্বাক্ষৰ 'বেজবৰুৱা' শীৰ্ষক পুথিৰ কেন্দ্ৰীয় বিষয়। বেজবৰুৱা সকলোৰে প্ৰিয় হোৱাৰ মূল কথাত প্ৰকাশিত স্বদেশপ্ৰেম এইক্ষেত্ৰত অন্যতম।

'অসম গৌৰৱ' পুথিত অসমৰ গৌৰৱৰ ধ্বজা বহনকাৰী বীৰযোদ্ধা, ৰজা-মহাৰজা আৰু অসমৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক জগতত বিবিধ কৰ্ম, চিন্তা আৰু চেতনাৰ প্ৰতিভূ মহান ব্যক্তিসকলৰ জীৱনগাথা এই গ্ৰন্থৰ বিষয়বস্তু। প্ৰতিখন গ্ৰন্থৰ বিষয়বস্তুৱে শিশুৰ মনত কৌতুহল সৃষ্টি কৰাৰ লগতে স্বদেশপ্ৰেমৰ প্ৰতি শিশুৰ মনত গভীৰ ৰেখাপাত কৰাৰ উপযোগী। বৰুৱাৰ শিশু-সাহিত্যলানিত প্ৰতিফলিত বিবিধ কাৰ্য, বৰ্ণনা ইত্যাদি স্বদেশপ্ৰেমৰ সুন্দৰ ধাৰক আৰু বাহক। আটাইকেইখন পুথিত বৰ্ণিত বিবিধ কাহিনী আৰু ঘটনাই দেশমাতৃৰ গৌৰৱ গাথা, দেশ ভক্তিৰ নিদৰ্শন, মাতৃভাষাৰ প্ৰতি গভীৰ ভালপোৱা ইত্যাদি বিবিধ উদাহৰণেৰে সৈতে বিষয়বস্তু শক্তিশালী কৰি তুলিছে।

### ৪.২.২ শিশু উপযোগী তথ্যৰ সন্নিৱেশৰ যোগেদি স্বদেশপ্ৰেমৰ পাঠদান ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যলানিত থাওকতে পাব পৰাকৈ শিশুসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ তথ্য আবেদনময়ী প্ৰকাশভঙ্গীৰে সন্নিৱিষ্ট হৈ আছে। আমোদজনকভাৱে বিবিধ বিষয় বৰ্ণনা, কম কথাৰে

বহু তথ্য যোগান বিনন্দ চন্দ্ৰ বৰুৱা শিশু সাহিত্যৰ বৈশিষ্ট্য আৰু সফলতাৰ মাপকাঠি। 'মহাৰাজ নৰনাৰায়ণ' পুথিত উল্লেখ আছে — মহাৰাজ নৰনাৰায়ণ এজন গুণী-জ্ঞানী, দূৰদৰ্শী ৰজা আছিল। নৰনাৰায়ণ ৰজাৰ লোকপ্ৰিয়তাৰ সন্দৰ্ভত দাঙি ধৰা তথ্যই শিশুসকলৰ মনত ধৰ্ম আৰু নৈতিকতা, সমতাৰ বাণী, বাস্তৱায়িত জ্ঞান প্ৰোথিত কৰি স্বদেশপ্ৰেমৰ বীজ ৰোপন কৰিব বিচাৰিছে এনেদৰে —

> ৰজাই বিদেশৰ পৰা জনা-শুনা পণ্ডিত সজ্জন অনাই চ'ৰাত ৰাখে আৰু তেওঁবিলাকৰ লগত নানা কথাৰ আলাপ কৰে। ইয়াৰ বাহিৰেও ৰাজ্যত নথকা আৱশ্যকীয় মানুহ আন ঠাইৰ পৰা মাতি আনি মাটি-বাৰী দি পাতিলেহি। ঠায়ে ঠায়ে এইদৰে ধোবা, নাপিত, তাঁতী, সোণাৰী, কঁহাৰ, কুমাৰ, ছমাৰ আদি সকলো মানুহ বহুৱালে। এই মানুহবিলাকক নিজৰ কাম কৰিবলৈ উৎসাহ দিলে। কাম কোনোটিয়েই নীহ (নীচ) নহয়। দেশখন ৰ'বলৈ হ'লে সকলো মানুহৰে আৱশ্যক, সেইদেখি কোনেও কাকে বেয়া ভাৱেৰে চাব নাপায়। ধোবা নহ'লে কোনে কাপোৰ ধুব, নাপিত নহ'লে কোনে চুলি কাটিব, কুমাৰ নহ'লে কোনে মলা চৰু, কলহ গঢ়িব — সেইদৰে সকলোৰে আৱশ্যক। মহাৰাজ নৰনাৰায়ণ জ্ঞানী ৰজা। সেইদেখি সকলোৰে মোল বুজি আদৰ কৰিছিল।[৮]

ঠিক তেনেদৰে বীৰ চিলাৰায়ৰ বীৰত্ব সন্দৰ্ভত দাঙি ধৰা উপদেশমূলক তথ্য শিশুসকলৰ বাবে উৎসাহপূৰ্ণ আৰু গভীৰ আবেদনময়। শিশুৰ মনত ভৱিষ্যতৰ বাবে মানসিক প্ৰস্তুতি গঢ় দিয়াত এনে তথ্যৰ ভূমিকা অনেক।

> আমাৰ দেশত যতবিলাক বীৰৰ জন্ম হৈছিল তাৰ ভিতৰত চিলাৰায়ো এজন প্ৰধান। তেওঁৰ নিচিনাকৈ কোনো বীৰেই এইদৰে দেশ-বিদেশ জয় কৰিব পৰা নাছিল। চিলাৰায় অকল অসমৰে নহয়; ভাৰতৰো এজন লেখত ল'বলগীয়া বীৰ; ভালকৈ পঢ়া-শুনা কৰি দেশৰ হকে ভাল কাম কৰিও জ্ঞানবীৰ, কৰ্মবীৰ ইত্যাদি হ'ব পাৰি। আশা কৰোঁ সকলোৰেই মহাবীৰ চিলাৰায়ৰ কথা মনত পেলাই ডাঙৰ বীৰ হ'বলৈ যত্ন কৰিবা।[৯]

যেনেদৰে 'চক্ৰৱৰ্তী' ৰজা মানে 'দেশৰ আটাইবিলাক ৰজাৰ ওপৰত ৰজা,' [১০] ঠিক তেনেদৰে

---

৮। 'নৰনাৰায়ণ ৰজা', মহাৰাজ নৰনাৰায়ণ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২২১

৯। 'গৌড় বিজয় — চিলাৰায়ৰ মৃত্যু', 'মহাৰাজ নৰনাৰায়ণ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২২

১০। 'নৰনাৰায়ণৰ আন আন ৰজাৰ লগত যুদ্ধ', *মহাৰাজ নৰনাৰায়ণ, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা,পৃ. ২২৬

আছে জয়ন্তীয়া দেশৰ মানুহে যুদ্ধত ব্যৱহাৰ কৰা দীঘল দাবিলাকক ‘নাকৈদা’ বোলাৰ তথ্য[১১]ও সন্নিবিষ্ট।

লক্ষ্মীনাথ বেজবৰুৱাৰ বংশ পৰিচয়, গুণ-গৰিমা, তেওঁৰ ৰচনাৰাজি আৰু স্বদেশপ্ৰেম সন্দৰ্ভত চমু অথচ গভীৰ তথ্যৰ সন্নিৱেশ লক্ষ্য কৰা যায়। প্ৰবল স্বদেশপ্ৰেমিক বেজবৰুৱাৰ সমস্ত সাহিত্যৰাজিৰ মূল চালিকাশক্তি যে স্বদেশপ্ৰেম সেই ভাৱ শিশুৰ মনত দকৈ ৰেখাপাত কৰিব পৰাকৈ সন্নিৱিষ্ট তথ্য এনেধৰণৰ —

> তেওঁৰ নাটক আটাইকেইখনেই বুৰঞ্জীমূলক, দেশৰ গৌৰৱৰ কথাৰে ভৰপূৰ। নাটকৰ বিবিধ চৰিত্ৰৰ মুখেদি তেওঁৰ অন্তৰত দেশপ্ৰীতি প্ৰকাশ কৰিছে। এইকাৰণে বেলেগ বেলেগ চৰিত্ৰৰো সৃষ্টি কৰিছে। উপন্যাস তেওঁৰ এখন, সিও দেশৰ কথাৰে ভৰপূৰ। কবিতাৰতো কথাই নাই। এইদৰে নাটক, উপন্যাস, কবিতা, বিবিধ প্ৰবন্ধ, খুহুটীয়া কথা আদি সকলোতে দেশপ্ৰেম বিৰিঙি আছে। খুহুটীয়া কথা, ব্যংগ চৰিত্ৰয়ো বেঁকা বাটে দেশৰ কথাকে কৈ যায়। ‘কৃপাবৰ বৰুৱাৰ উইল’ নামৰ ধেমেলীয়া প্ৰবন্ধটোতো দেশৰ কথাকেহে কৈছে। সেইদেখি ৰাজনীতিৰ যোগে, সভ্যতাৰ যোগে বা কৰ্মৰ যোগে বা বেজবৰুৱাৰ দেশসেৱা, বেজবৰুৱাৰ দেশক ভাল পোৱাৰ গুণ, কোনো দেশপ্ৰেমিকতকৈ কম নহয়।[১২]

সাহিত্যসেৱাৰ জৰিয়তেও যে প্ৰবল স্বদেশপ্ৰেম প্ৰবাহিত হ’ব পাৰে সেই সন্দৰ্ভত সংযোজিত এই তথ্য অত্যন্ত শক্তিশালী আৰু মনোগ্ৰাহী ৰূপত এনেদৰে দাঙি ধৰা দেখা গ’ল।

বেজবৰুৱাৰ জন্ম, মৃত্যু আৰু সাহিত্যকৰ্মৰ সন্দৰ্ভত সন্নিৱিষ্ট সংক্ষিপ্ত তথ্য ‘আমাৰ লক্ষ্মীনাথ’ লেখাত উল্লেখ আছে এনেদৰে —

> বেজবৰুৱাৰ জন্ম হ’ল ১৬৬৮ চনত। তেওঁৰ প্ৰথম পুথি ‘লিতিকাই’ প্ৰকাশ হয় ১৮৯০ চনত। তেওঁৰ বয়স তেতিয়া প্ৰায় ২৮ বছৰ, তাৰ পাছত সকলো কিতাপ ১৯০০ চনৰ ভিতৰত প্ৰকাশ হয়। তেওঁৰ মৃত্যু হয় ১৯৩৮ চনত।[১৩]

১১। উল্লিখিত, পৃ. ২২৫

১২। ‘স্বদেশপ্ৰেমিক বেজবৰুৱা’, আমাৰ লক্ষ্মীনাথ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪২৬-৪২৭

১৩। আমাৰ লক্ষ্মীনাথ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪২১

'ৰাজস্থানৰ গল্প'ত ৰাজপুত বীৰসকলৰ পত্নীৰ আত্মমৰ্যাদা আৰু দেশৰ মৰ্যাদা ৰক্ষাৰ হকে জাহ যোৱাৰ তথ্য সন্নিৱিষ্ট হৈ আছে। আনহাতে প্ৰতাপসিংহ, সংগ্ৰামসিংহ, ৰামসিংহৰ প্ৰতাপ আৰু বিচক্ষণতাৰ তথ্য যিদৰে আছে ঠিক তেনেদৰে ৰাজস্থানৰ ভৌগোলিক সীমা, অৱস্থান, শিলাদিত্যৰ অৰ্থ, গিলেলাট বংশৰ উৎপত্তি, মেৱাৰৰ কথা, চিতোৰ উদ্ধাৰৰ কাহিনী, উদয়পুৰ প্ৰতিষ্ঠা, ৰাঠোৰৰ গৌৰৱ দুৰ্গাদাস, ইংৰাজ বেজ হেমিল্টনৰ কথা, ৰাজপুত বংশৰ উদ্ভৱ, বিকানীৰ কথা আদি অলেখ বিষয়ৰ সন্দৰ্ভত অনেক তথ্য আকৰ্ষণীয়ভাৱে যোগান ধৰিছে। এনে তথ্যই শিশুৰ মনত অনুসন্ধিৎসু ভাব জাগ্ৰত কৰাৰ লগতে ন ন তথ্য যোগান ধৰি স্বদেশ চেতনা বৃদ্ধি কৰাৰ প্ৰয়াস লক্ষ্য কৰা যায়। চিতোৰ ধ্বংস কৰা আকবৰৰ বশ্যতা স্বীকাৰ নকৰা মহাৰাণা প্ৰতাপ সিংহৰ স্বদেশপ্ৰেম আৰু মৃত্যুকাল পৰ্যন্ত নিজস্ব স্বাধীনতা ৰক্ষা কৰাৰ ক্ষেত্ৰত দাঙি ধৰা দৃষ্টান্তই স্বদেশপ্ৰেমৰ চানেকি দাঙি ধৰিছে এনেদৰে—

> মহামতি সম্ৰাট আকবৰৰ দুৰ্দান্ত প্ৰতাপত সহায় সাৰথিহীন প্ৰতাপসিংহ হাবিয়ে-বননিয়ে ফুৰিব লগা হ'ল। তথাপি তেওঁৰ সন্মান হানি নহ'ল। তেওঁ মৃত্যুকাল পৰ্যন্ত নিজৰ স্বাধীনতা ৰক্ষা কৰিয়েই থাকিল। তেওঁৰ দৃঢ়বিশ্বাস আছিল— চিতোৰ উদ্ধাৰ হ'ব। মেৱাৰ ৰাজ্যৰ অখণ্ড প্ৰতাপ আকৌ অখণ্ড হৈয়ে ৰ'ব। এই আশাৰ বশৱৰ্তী হৈয়ে প্ৰতাপসিংহই ৰজা গুছি সন্ন্যাসীৰ নিচিনা হ'ল। . . . নিজৰ প্ৰতিজ্ঞা আৰু সন্মান ৰক্ষা কৰিবৰ নিমিত্তে প্ৰতাপৰ সিংহাসন হ'ল পৃথিৱী, কাৰেঙৰ চাল হ'ল আকাশ, দাস-দাসী হ'ল বনৰ জন্তু আৰু ৰাজভোগ হ'ল কেঁচা-পকা বনৰীয়া ফল।[১৪]

ধাৰ্মিক, নিৰ্ভীক আৰু স্বাধীনতা প্ৰিয় বুলি ৰাজপুতসকল বহুকালৰেপৰা বিখ্যাত। হালধিঘাটৰ যুদ্ধ বৰ্ণনাত ৰাজপুতসকলৰ দেশপ্ৰেমৰ নিদৰ্শন জিলিকি আছে এনেদৰে— 'নিজৰ দেশ, নিজৰ মান আৰু নিজৰ প্ৰতিজ্ঞা ৰক্ষাৰ নিমিত্তে হেজাৰ হেজাৰ ৰাজপুত বীৰে এই যুদ্ধত প্ৰাণত্যাগ কৰিলে।' [১৫]

'বিকানীৰ' শীৰ্ষক লেখাটিত বিকানীৰ নামৰ আঁতি-গুৰি বিচৰাৰ তথ্য গল্পৰ আলমত শিশুৰ মন যোগাব পৰাকৈ সুন্দৰভাৱে দাঙি ধৰিছে।

---

১৪। 'মহাৰাণা প্ৰতাপ সিংহ— (১)', ৰাজস্থানৰ গল্প, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২৮০
১৫। 'মহাৰাণা প্ৰতাপ সিংহ— (৩)', ৰাজস্থানৰ গল্প, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২৮৪

> মহাৰাজ বিকাই এনেদৰে ৰাজ্য বিস্তাৰ কৰি এখন ৰাজধানী স্বৰূপে নগৰ পাতিবৰ মন কৰিলে। তেওঁ যি ঠাইত নগৰ পাতিবৰ যেন দেখিছিল সেই ঠাই এজন জিতৰ সম্পত্তি। জিতটোৰ নাম আছিল 'নীৰ'। ৰজাৰ নাম 'বিকা'। ৰজাই নিজৰ নামৰ লগত জিতৰ নামটো যোগ দি 'বিকানিৰ' কৰিলে। [১৬]

'অসম গৌৰৱ' পুথিত দেশপ্ৰেমিক বীৰৰ তথ্য আৰু অসমৰ স্বাধীনতা আন্দোলনৰ অক্লান্ত কৰ্মী আৰু শৈক্ষিক সামাজিক দিশৰ উত্তৰণ ঘটোৱা প্ৰাতঃস্মৰণীয় তথা স্বদেশপ্ৰেমিক লোকৰ অনেক তথ্য যোগান ধৰিছে। এইক্ষেত্ৰত স্বাধীনতা সংগ্ৰামী গমধৰ কোঁৱৰৰ দেশপ্ৰেম, পিয়লি ফুকনৰ দেশপ্ৰেম, লাচিত বৰফুকনৰ দেশপ্ৰেম, জয়মতীৰ ত্যাগৰ দৃষ্টান্ত শিশুৰ উপযোগীকৈ আকৰ্ষণীয় বৰ্ণনা আছে। মণিপুৰৰ সেনাপতি বীৰ টিকেন্দ্ৰজিতৰ উল্লেখ স্বদেশ চেতনাৰ জীৱন্ত প্ৰতীক। টিকেন্দ্ৰজিতৰ ইংৰাজ বিৰোধ আৰু স্বদেশ ৰক্ষাৰ বাবে ফাঁচীৰ শাস্তি মূৰ পাতি লোৱা কাৰ্যক থাওকতে শিশুৰ জ্ঞাত হোৱাকৈ বৰ্ণনা কৰিছে। খাচীয়াসকলৰ বীৰ টীৰুৎ সিং, নগাৰাণী গাইডালো ইত্যাদি বীৰ যোদ্ধা, স্বাধীনতা সংগ্ৰামী চন্দ্ৰনাথ শৰ্মা, দেশভক্ত তৰুণৰাম ফুকনৰ স্বদেশপ্ৰেম বৰ্ণনা এইক্ষেত্ৰত উল্লেখযোগ্য। অন্যহাতে স্বদেশহিতৈষী মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাৰ সন্দৰ্ভত সন্নিৱিষ্ট চমু অথচ অতি গুৰুত্বপূৰ্ণ নিদৰ্শন এনেধৰণৰ—

> জগন্নাথ বৰুৱা যোৰহাটৰ সাৰ্বজনিক সভাৰ প্ৰতিষ্ঠাতা আৰু গুৰিয়াল। মাণিকচন্দ্ৰ বৰুৱা অসম এছোচিয়েছনৰ জন্মদাতা আৰু প্ৰতিপালক আছিল। ৰজাঘৰত এই দুখন সভাৰে মতামত বৰ মূল্যবান বুলি ভাবিছিল। মাণিক বৰুৱাই এই সভাৰ আলমত চৰকাৰলৈ আবেদন-নিবেদন কৰি দেশৰ অনেক অভাৱ দূৰ কৰিছিল। গুৱাহাটীৰ কটন কলেজ, আৰ্ল ল কলেজ, কাৰ্জন হল (এতিয়া নবীন বৰদলৈ হল) আদি এই সভাৰ যোগে কৰা আন্দোলনৰে ফল বুলি ক'ব পাৰি।. . . জগন্নাথ বৰুৱা ৰাজহুৱা উন্নতিশীল সকলো দেশহিতকৰ কামতে মাণিক বৰুৱাৰ লগৰীয়া আছিল।. . . তেওঁবিলাকৰ লগতে খোজত খোজ মিলাই ভালেখিনি অসমীয়া দেশহিতৈষী লোকে দেশসেৱাত আগবাঢ়ি গৈছিল।[১৭]

---

১৬। 'বিকানীৰ', ৰাজস্থানৰ গল্প, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩৩৭

১৭। 'মাণিকচন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱা', অসম গৌৰৱ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৬৫-৪৬৬

এনেদৰেই সৰু-বৰ অলেখ গুৰুত্বপূৰ্ণ তথ্য, শিশু উপযোগীকৈ সন্নিৱেশ কৰিছে। উদ্দেশ্য শিশুসকলক অনুপ্ৰাণিত কৰা আৰু তেওঁলোকৰ প্ৰাণত স্বদেশপ্ৰেমৰ বীজ ৰোপন কৰা। এনে সাহিত্য অধ্যয়নে শিশুৰ উচ্চ নৈতিক চৰিত্ৰ গঠন আৰু বিকাশত গভীৰ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা অধিক। দেখা গ'ল বিনন্দ চন্দ্ৰ বৰুৱাৰ কেউখন পুথি স্বদেশপ্ৰেমমূলক সুকীয়া সুকীয়া তথ্যৰে সমৃদ্ধ। লক্ষ্য কেৱল স্বদেশ চেতনা। অসমীয়া শিশু সাহিত্য জগতলৈ বৰুৱাৰ এই উল্লেখযোগ্য অৱদান সদা স্মৰণীয়।

### ৪.২.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ স্বদেশপ্ৰেমৰ বিষয়ে শিশুৰ মনত সচেতনতা সৃষ্টি ঃ

'ল'ৰাৰ বেজবৰুৱা' আৰু 'আমাৰ লক্ষ্মীনাথ' শীৰ্ষক বিৰৰণীমূলক শিশু সাহিত্যৰ পুথি দুখনৰ জৰিয়তে বিনন্দ চন্দ্ৰ বৰুৱাই দেশৰ ধৰণীস্বৰূপ শিশুসকলৰ প্ৰাণত স্বদেশহিতৈষী বেজবৰুৱা চেতনা প্ৰোথিত কৰাৰ চেষ্টা অত্যন্ত গভীৰ। বেজবৰুৱা স্বদেশ আৰু স্বজাতি উদ্ধাৰৰ অক্লান্ত কৰ্মী বেজবৰুৱা জ্ঞান দেশৰ নতুন প্ৰজন্মৰ বাবে আৰু স্বদেশ আৰু স্বজাতি মঙ্গলৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। বিনন্দ চন্দ্ৰ বৰুৱাই বেজবৰুৱাৰ সমগ্ৰ কৰ্মৰাজিৰ চালিকা শক্তি যে স্বদেশপ্ৰেম সেই ভাৱ-আদৰ্শ শিশুসকলৰ প্ৰাণত বিয়পাই দেশমাতৃৰ উদ্ধাৰৰ বাবে শিশুসকলৰ সচেতনতা বৃদ্ধিৰ যত্ন কৰিছে। বেজবৰুৱাৰ ৰচনাৰাজিৰ বিবিধ উল্লেখেৰে শিশুসকলৰ প্ৰাণত স্বদেশৰ ধাৰণা, স্বদেশপ্ৰেমিকৰ গুণ, স্বদেশপ্ৰেমিকৰ গুৰুত্ব, অমৰত্ব, মাতৃভাষা কি, মাতৃভাষাৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছে। বেজবৰুৱা অসমীয়া জাতিৰ হিয়াৰ আমঠু। সেই কথাৰ বৰ্ণনা কৰিছে এনেদৰে

> এই অসমীয়া জাতীয় সংগীতৰ লেখক, অসম মাতৃৰ সু-সন্তান, ভাৰতৰ অন্যতম ৰত্ন, বৰ্তমান অসমীয়া ভাষাৰ গঢ় দিওঁতা লক্ষ্মীনাথ বেজবৰুৱা অসমত আজি তেওঁ মৰিও অমৰ। পৃথিৱীত তেওঁৰ দেহাটো নাই কিন্তু তেওঁ অদৃশ্যভাৱে অসমীয়াৰ ঘৰে ঘৰে, অসমীয়াৰ সভাই-সমিতিয়ে, অসমীয়াৰ তিথি মহোৎসৱে, অসমীয়া সাহিত্য ৰসিকৰ অন্তৰে অন্তৰে বিৰাজ কৰি আছে। তেওঁৰ আত্মাই দিব্যলোকৰ পৰা অসম আৰু অসমীয়াৰ মাজত তেওঁৰ কায়াহীন দেহাই কি কৰিছে, চাই আছে।[১৮]

---

১৮। 'জাতীয় সংগীত', ল'ৰাৰ বেজবৰুৱা, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩৬৮

'অসমী আইৰ লখিমী পুত্ৰ লক্ষ্মীনাথ'ক জাতিয়ে, দেশে ভালপোৱা কাৰণ বৰ্ণনা কৰি শিশুসকলকো যেন প্ৰকান্তৰে বেজবৰুৱাৰ আদৰ্শৰ অনুগামী কৰি গঢ়ি তুলিব বিচৰা গুণ পৰিলক্ষিত হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰাজিৰ মহত্ত্ব আৰু গুৰুত্ব প্ৰকাশেৰে শিশুৰ মনত গভীৰ প্ৰভাৱ পেলাব পৰাকৈ বৰ্ণনা আছে এনেদৰে—

> বেজবৰুৱাৰ লিখাত অসমৰ আধুনিক ধৰণৰ পঢ়ুৱৈ সমাজে যিদৰে বিচাৰে তাকে পায়। ল'ৰাই সাধুকথা, হাঁহি উঠা খুহুটীয়া কথা পায়; বুঢ়াই ধৰ্মতত্ত্ব পায়; ডেকায়ো যি বিচাৰে তাকে পায়। বুৰঞ্জী সাহিত্য, বিজ্ঞান, দৰ্শন, কবিতা আদি বিভিন্ন বিষয়ৰ প্ৰতি মন ধালখোৱা প্ৰতিজনেই যিহকে বিচাৰে বেজবৰুৱাৰ লিখনিয়ে তাক চিঞাহীৰে কাকতৰ ওপৰত ফুল বছা দি বাছি দিয়ে। ৰসিকসকলে যাক যি লাগে সি নিজৰ বুকুৰ ভিতৰত বাছি লয়। দেশসেৱকসকলে বেজবৰুৱাৰ লিখাত, দেশৰ গৌৰৱ, জাতীয়তা আদিৰ কথাবিলাক কেনেকৈ পায় আৰু বেজবৰুৱাৰ সাহিত্য সেৱাই ঘাই উদ্দেশ্য কেনেকৈ দেশসেৱাকে বুলিব পাৰি আমি ওপৰত কৈ আহিছোঁ। কম-বেছি নিজৰ দেশ আৰু জাতিক সকলোৱে ভাল পায়। বেজবৰুৱাক সকলো অসমীয়াই প্ৰথমতে সেই গুণতে ভাল পায়।[১৯]

বেজবৰুৱাই অসমীয়া জাতিক আৰু অসম দেশক আধুনিক চিন্তাৰে বহুদূৰ আগুৱাই নিলে জাতিটোক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত মূল আধাৰ হৈছে বেজবৰুৱাৰ সাহিত্য চৰ্চা। বেজবৰুৱাৰ সাহিত্য চৰ্চা কেৱল উকা সাহিত্য চৰ্চা যে নহয় তাৰ প্ৰাণ আত্ম যে স্বদেশ আৰু জাতিৰ প্ৰেম সেই কথা শিশুসকলৰ আগত দাঙি ধৰিছে এনেদৰে —

> পোনে পোনে সাহিত্য সেৱা কৰাই তেওঁৰ উদ্দেশ্য নাছিল; দেশৰ হিতৈষণাৰ মাজেদি সাহিত্য সেৱা কৰাই তেওঁৰ উদ্দেশ্য। এই দেশ হিতৈষণাৰ ভাৱ, তেওঁৰ অন্তৰত জুই জ্বলাদি জ্বলি নথকা হ'লে, তেওঁ সকলো ৰকমে, সকলো বাটে সাহিত্য চৰ্চা কৰি ইমান কৃতকাৰ্য হ'ব নোৱাৰিলেহেঁতেন। তেওঁ দেশৰ উন্নতিৰ কাৰণে, স্বজাতিৰ উন্নতিৰ কাৰণে কলমটিকে প্ৰধান অস্ত্ৰ কৰি লৈছিল। বেজবৰুৱা আগ ধৰি দেশহিতৈষী, স্বজাতি হিতৈষী, তাৰ পাছতহে সাহিত্যিক; সেই কাৰণে সাহিত্যিকক সাধাৰণতে লোকে যিমান ভাল

১৯। 'বেজবৰুৱাক কিয় ভাল পাওঁ', ল'ৰাৰ বেজবৰুৱা, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩৭১

পায় বেজবৰুৱাক তাতকৈও বেছি ভাল পায়।[২০]

বেজবৰুৱাৰ সামগ্ৰিক ব্যক্তিত্ব অনন্য সাধাৰণ গুণৰাশিৰ প্ৰতি গভীৰ প্ৰেম আৰু ভক্তিভাবৰ বৰ্হিপ্ৰকাশ অত্যন্ত চমৎকাৰপূৰ্ণ আৰু মনোমুগ্ধকৰ। উদাহৰণ—

> দেশপ্ৰেমিক বেজবৰুৱা, সাহিত্যিক বেজবৰুৱা— এই দুই বেজবৰুৱাক বাদ দিও বেজবৰুৱাক আমি ভাল পাওঁ। তৰ্কস্থলত যাকে যিহকে কওক লাগে, আনৰ দৰে সকলো ধৰণৰ মানুহকে তেওঁ সন্তোষ দিব পাৰিছিল। এই শক্তি তেওঁৰ আছিল। . . . । অসমীয়াৰ ভিতৰত যিকিজন লোকৰ ব্যক্তিত্ব আছিল; অৰ্থাৎ নিজৰ শাৰীৰিক শক্তি আৰু নিজৰ কাৰ্যৰ গুণৰ দ্বাৰা আনক মুহিব পৰা শক্তি যিকিজনৰ আছিল, তাৰ ভিতৰত বেজবৰুৱাও এজন। . . . অতি সাধাৰণ নজনা-নুশুনা মানুহো তেওঁৰ প্ৰতি আকৃষ্ট হয়; গহীন-গম্ভীৰ, শকত-আবত, ওখ-পাখ, সুপুৰুষ বেজবৰুৱা জতুৱা অসমীয়া আদৰ্শৰ প্ৰতিমূৰ্তি। তেওঁক দেখিলে মনত পৰে, — স্বাধীন অসমৰ জলবায়ুত পৰিপুষ্ট হৈ এখন ডাঙৰ ৰাজ্য শাসন কৰিব পৰা শক্তি সঞ্চয় কৰা, অসমৰ ডাঙৰীয়াসকলৰ কথা, অসমৰ বীৰ-বীৰাঙ্গনাৰ কথা আৰু অসমৰ নৃপতিসকলৰ কথা।[২১]

নিজৰ মাতৃভাষা আৰু সাহিত্য চৰ্চা কৰা ছাত্ৰৰ কৰ্তব্য। কলিকতাত ১৮৮৮ চনৰ ২৫ আগষ্টত মিৰ্জাপুৰ ষ্ট্ৰীটৰ ৬৭ নং ঘৰত আৰম্ভ হোৱা সভা, সেই সভাত লক্ষ্মীনাথৰ 'অসমীয়া ভাষাৰ স্বতন্ত্ৰতা', 'অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰাচীনত্ব', 'অসমীয়া ভাষাৰ স্বাভাৱিক সৌন্দৰ্য' আদি লেখা আৰু পাঠ উল্লেখেৰে বৰুৱাই শিশুসকলক বেজবৰুৱাৰ আদৰ্শৰে ছাত্ৰ অৱস্থাৰ পৰাই মাতৃভাষাৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য পালনৰ গুৰুভাৰ বহনৰ কথা সোঁৰৰাই দিবলৈ যত্ন কৰিছে। উল্লেখ আছে — 'বহুত দিন ব্যৱহাৰ নকৰাৰ ফলত যিবিলাক ঘৰুৱা অসমীয়া ভাষাৰ শব্দ ক্ৰমে তল পৰি যাবৰ উপক্ৰম হৈছিল, সেইবিলাকক বেজবৰুৱাই নতুন জীৱন দিলে।'[২২]

'মোৰ দেশ' আৰু 'অসম গৌৰৱ' কবিতাৰ উল্লেখেৰে বেজবৰুৱাৰ জাতীয় চেতনাৰ স্বৰূপ প্ৰকট কৰি দাঙি ধৰিছে। পৃথিৱীৰ ক'তো বিচাৰি নোপোৱা এই মাতৃভাষাৰ বন্দনা আৰু 'চাই লও তোমাৰ

---

২০। উল্লিখিত, পৃ. ৩
২১। উল্লিখিত, পৃ. ৩৭৩-৩৭৪
২২। উল্লিখিত, পৃ. ৩৭২

মুখনি এবাৰ' বুলি মাতৃভূমিৰ প্ৰশস্তিৰে যুগ যুগান্তৰলৈকে বেজবৰুৱাৰ স্বদেশপ্ৰেম ঘোষিত কৰি আহিছে আৰু থাকিব। সেই বিষয়েও শিশুসকলক পতিয়ন নিয়াবলৈ কৰা যত্ন অত্যন্ত গুৰুত্বপূৰ্ণ।

"বাজক ডবা, বাজক শঙ্খ বাজক মৃদঙ্গ খোল/অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল" ধ্বনিৰে সকলোৰে প্ৰাণত মাতৃভূমিৰ প্ৰতি অগাধ ভালপোৱা জাগ্ৰত কৰা সেইজন দেশপ্ৰেমিক বেজবৰুৱাৰ স্বদেশ চেতনাই দেশৰ শিশুসকলক চিৰদিন অনুপ্ৰাণিত কৰিব। বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশুকেন্দ্ৰিক বেজবৰুৱাৰ চিন্তা সেয়ে অত্যন্ত গুৰুত্বপূৰ্ণ।

স্বদেশপ্ৰেমমূলক সাহিত্য আৰু স্বদেশৰ উন্নতিৰ কামনাৰে সৃষ্ট সাহিত্য সদায়ে অমৰ। এনে সৰল, দৃঢ় আৰু অকাট্য যুক্তিয়ে বেজবৰুৱাৰ প্ৰতি নতুন প্ৰজন্মৰ প্ৰাণত শ্ৰদ্ধা, ভক্তি আৰু প্ৰেম ভাৱৰ উদ্ৰেক কৰাৰ যত্ন প্ৰশংসনীয়েই নহয়, সদা অনুকৰণীয় এক বিষয়। ইয়াৰ জৰিয়তে স্বদেশপ্ৰেম আৰু স্বদেশপ্ৰেমিকৰ গুৰুত্ব আৰু অমৰত্ব ঘোষিত হৈছে। শিশুৰ প্ৰাণত বেজবৰুৱা চেতনা জাগ্ৰতকৰণত ইয়াতকৈ আৰু সৰল, পোনপটীয়া যুক্তি অসমীয়া শিশু সাহিত্যত নিশ্চয়কৈ বিৰল।

### ৪.২.৪ উদ্দীপনাময় বচনভংগীৰ প্ৰয়োগ ঃ

স্বদেশপ্ৰেম জাগ্ৰতকৰণ আৰু বৃদ্ধিকৰণত উদ্দীপকৰূপে কাম কৰা উদ্দীপনাময়ী বচনভঙ্গীৰ গুৰুত্ব অতি বেছি। তেনে বচনভংগীৰ মূল আধাৰ সুতীব্ৰ স্বদেশপ্ৰেম। বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যচৰ্চাৰ মূল শক্তি যিহেতু স্বদেশপ্ৰেম, সেয়েহে বৰুৱাৰ শিশু সাহিত্যতো সেই ভাৱশক্তি সুতীব্ৰ ৰূপত বিভিন্ন ধৰণে প্ৰকাশ ঘটিছে। এইক্ষেত্ৰত পুথিকেইখনিত এনে উদ্দীপনাময় বচনভংগীৰ প্ৰয়োগ লক্ষ্য কৰা যায়। মাতৃভাষা, মাতৃভূমিৰ প্ৰতি প্ৰেম উথলোৱা বাক্যৰ ব্যৱহাৰ কেৱল শিশুৰ প্ৰাণতে যে ৰেখাপাত কৰিব এনে নহয়, শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে মন আকৰ্ষণ কৰাৰ গুণেৰে সমৃদ্ধ।

মাতৃভূমি প্ৰেম এক উৎকৃষ্ট গুণ। এই গুণ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেমৰ সুগভীৰ প্ৰকাশ হৈ ধৰা দিছে। সেয়ে কৈছে, "জননী আৰু জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ।"[২৩] আইৰ কোলাৰ সদৃশ এই মাতৃভূমিক

২৩। জাতীয় সংগীত, ল'ৰাৰ বেজবৰুৱা, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩৬৬

'মহাতীৰ্থ' বুলিছে। "প্ৰথমে জন্মভূমিক ভাল পাই পৃথিৱীখনকে ভালপোৱা উচিত"।[২৪] স্বদেশপ্ৰেমৰ উদ্দীপকস্বৰূপ সৰু-বৰ অনেক এনে বাক্য বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যত সিঁচৰতি হৈ আছে। ৰাজপুতসকলৰ বীৰত্ব প্ৰকাশত দেখা যায় —

> বিশ্বাসত তেওঁ হিমালয় পৰ্বতৰ নিচিনা স্থিৰ। তেওঁৰ বীৰত্ব আৰু উৎসাহতে ৰাঠোৰ বংশৰ বীৰবিলাকে ৰাঠোৰ কুলৰ ৰত্নস্বৰূপ মহাৰাজ যশোৱন্ত সিংহৰ পুতেকক সম্ৰাট আউৰঙ্গজেবৰ হাতৰ পৰা হৰুৱাই আনি ৰজা পাতিব পাৰিছিল।[২৫]

ৰাঠোৰৰ গৌৰৱ দুৰ্গা দাসৰ বীৰত্বব্যঞ্জক কথা আৰু বিভিন্ন বীৰৰ স্বদেশপ্ৰেমক দাঙি ধৰি শিশুসকলক অনুপ্ৰাণিত কৰাৰ প্ৰচেষ্টা অত্যন্ত উল্লেখযোগ্য। তাৰ উপৰিও ৰাজপুত ৰমনীৰ মুখৰ উদ্দীপনাময় বচনভংগীও তাৎপৰ্যপূৰ্ণ। যশোৱন্ত সিংহৰ পত্নীৰ মুখত দিয়া সংলাপ অত্যন্ত গুৰুত্বপূৰ্ণ। দেশতকৈ ব্যক্তিৰ প্ৰাণ কোনোগুণে ডাঙৰ নহয়। যুদ্ধত হাৰি উভতি অহা স্বামীৰ প্ৰতি পত্নীৰ ক্ষোভৰ বৰ্হিপ্ৰকাশ ঘটিছে  আৰু ক্ষত্ৰিয় বীৰৰ ধৰ্ম সোঁৱৰাই দিছে —

> ..... এনে মানুহে নিজৰ আৰু নিজৰ তিৰোতাৰ বংশ কলংকিত কৰে। ক্ষত্ৰিয় হৈ ৰাজপুত হৈ শত্ৰুক হৰুৱাৰ নোৱাৰি প্ৰাণ লৈ ঘূৰি অহাতকৈ যুদ্ধক্ষেত্ৰত মৰি পৰি থকা বেছি ভাল।[২৬]

আকৌ,  ৰাজপুতসকলৰ মাতৃভূমিৰ প্ৰতি থকা বলিষ্ঠ প্ৰেম প্ৰদৰ্শনত প্ৰকাশিত স্বদেশপ্ৰেমৰ বৰ্ণনা আছে এনেদৰে —

> ৰাজপুতবিলাকৰ জন্মভূমি মাতৃৰ নিচিনা। জননী জন্মভূমিক তেওঁবিলাকে নিজৰ মাকতকৈও বেছি ভাব কৰে। এই জন্মভূমিৰ স্বাধীনতাৰ লগত ৰাজপুতসকলে জীৱনৰ সকলো প্ৰিয় বস্তুকে বিসৰ্জন দিব পাৰে।[২৭]

---

২৪। উল্লিখিত
২৫। 'আকবৰ আৰু দুৰ্গা দাস, ৰাজস্থানৰ গল্প', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ, ২৯৬
২৬। 'যশোৱন্ত সিংহ, ৰাজস্থানৰ গল্প', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২৯৯
২৭। 'ৰাজস্থান, ৰাজস্থানৰ গল্প', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২৪৩

### ৪.২.৫ জন্মভূমি আৰু মাতৃভাষাৰ প্ৰতি অনুৰাগ বৃদ্ধি ঃ

জন্মভূমিৰ প্ৰতি অনুৰাগ বৃদ্ধি বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেমৰ অন্য এক উজ্জ্বল দিশ। দেশৰ উঠি অহা শিশুসকলৰ প্ৰাণত জন্মভূমিৰ সামগ্ৰিক ধাৰণা প্ৰোথিত কৰি প্ৰতিজন শিশুকে দেশৰ প্ৰতি, জননী জন্মভূমিৰ প্ৰতি দায়ৱদ্ধশীল কৰি তোলাৰ হাবিয়াস পৰিলক্ষিত হয়। শিশুৰ মনত এগৰাকী মাতৃ যেনে মাতৃভূমিও তেনে। এনে ভাবৰ প্ৰকাশ ঘটিছে 'জাতীয় সংগীত' শীৰ্ষক লেখাত এই কথাৰ বৰ্ণনা এনেধৰণৰ—

> মাকে ল'ৰাৰ জনম দিয়ে আৰু কেঁচুৱা অৱস্থাত নিজৰ শৰীৰতে উৎপন্ন হোৱা গাখীৰ খুৱাই ডাঙৰ-দীঘল কৰে। মাকৰ গাখীৰ হয় ক'ৰ পৰা? আহাৰ পানীৰ পৰা। আহাৰ পানী পায় ক'ৰ পৰা? নিজৰ দেশখনৰ পৰা। মাকে ল'ৰা-ছোৱালীক কোলাত লৈ ডাঙৰ-দীঘল কৰে। সেই মাকক আকৌ কোলাত লয় নিজৰ দেশখনে। সেয়ে যিমান কওক লাগে, নিজৰ মাকতকৈ আপোন পৃথিৱীত কোনো নাই। নিজৰ মাক যেনেকৈ আপোন, নিজৰ জন্মভূমিও তেনেকৈয়ে আপোন। [২৮]

ঠিক তেনেদৰে জন্মভূমিৰ প্ৰকৃতি ফল-ফুল, চৰাই-চিৰিকতিৰ উল্লেখেৰে প্ৰকৃতিৰ সন্তানৰূপী মানুহৰ সুৰীয়া জীৱন, সুৰীয়া মাত-কথাৰ বৰ্ণনাৰে অসমীয়া শিশুৰ মনত কৌতুহল সৃষ্টি কৰি প্ৰকৃতিপ্ৰেমীৰ বীজ ৰোপণৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। প্ৰকৃতিপ্ৰেম স্বদেশপ্ৰেমৰেই নামান্তৰ। অসমৰ সুৰীয়া মাত-কথাৰ লগত অসমভূমিৰ প্ৰকৃতিৰ সুৰীয়া মাতৰ ৰিজনি বিচাৰি পোৱা যায়। উল্লেখ আছে—

> কোনো অসমীয়াই যদি তেওঁ সঁচাকৈয়ে অসমীয়া হয়, কেতিয়াবা নিজৰ মাতৰ দৰে আনৰ মাতত সোৱাদ নেপায়। অসমৰ কথাত যিটো সুৰ আছে তেনে সুৰ অসমীয়াই আন ভাষাত পাব নোৱাৰে। প্ৰকৃতিৰ কাম্যবন অসমত যাৰ বাস তাক প্ৰকৃতিয়েই সুৰীয়া মতে ভালপোৱা কৰি দিছে। [২৯]

---

২৮। জাতীয় সংগীত, 'ল'ৰাৰ বেজবৰুৱা, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩৬৫
২৯। উল্লিখিত, পৃ. ৩৬৭

জন্মভূমি, মাতৃভাষা আৰু নিজৰ জাতিক ভালপোৱা সকলো মানুহৰে এটা উৎকৃষ্ট গুণ। 'পৃথিৱী গোটেইখনত ফুৰিলেও, মূৰ ভুকুৰাই মৰিলেও অসমীয়া ভাষাতকৈ আপোন সুৰদী সুৰীয়া ভাষা ক'তো নেপায়।' — মাতৃভাষাৰ প্ৰতি গভীৰ প্ৰত্যয়সূচক অনুৰাগ প্ৰকাশে শিশুসকলক অনুপ্ৰাণিত কৰি সুস্থ, ৰুচিশীল দেশমাতৃৰ সন্তান কৰি গঢ়ি তুলিব।

এনেদৰেই বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যৰাজিত বিচাৰি পোৱা যায় স্বদেশপ্ৰেমী কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত শিশুৰ মন যোগোৱাৰ অনেক আৰ্হি। শিশুৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত নীতিকথা, উপদেশমূলক কথাৰ সুকৌশলী প্ৰয়োগ অত্যন্ত গুৰুত্বপূৰ্ণ।

উল্লেখযোগ্য যে, বিনন্দ চন্দ্ৰ বৰুৱাৰ সমসাময়িক শিশু সাহিত্যিকসকলৰ তুলনাত বৰুৱাৰ শিশু সাহিত্যৰাজি বিষয়বস্তুৰ ক্ষেত্ৰত যিদৰে একক ঠিক তেনেদৰে লক্ষ্য আৰু উদ্দেশ্যৰ একমুখীতাৰ ক্ষেত্ৰতো একক আৰু অনন্য। বৰুৱাৰ একমাত্ৰ উদ্দেশ্য হৈছে দেশৰ ধৰণী-স্বৰূপ শিশুসকলৰ প্ৰাণত সৰ্বতোপ্ৰকাৰে স্বদেশপ্ৰেমৰ বীজ ৰোপণ কৰা। বৰুৱাৰ এনে একনিষ্ঠ গুণৰ বাবে তেওঁ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম সবাতোকৈ আকৰ্ষণীয়।

অন্যহাতে বৰুৱাৰ এই ৰচনাৰাজিৰ জৰিয়তে দায়বদ্ধশীল লেখকৰ স্বৰূপ প্ৰকাশ পাইছে। অতীত ঐতিহ্য, নীতিকথাৰ সন্নিৱেশ আৰু চিৰন্তন আৱেদনৰ মাজতে বৰুৱাৰ শিশু সাহিত্যলানিৰ মহত্ব আৰু সাফল্য নিহিত হৈ আছে। এই জাতীয় সাহিত্য শিশুসকলৰ বাবে সদা প্ৰাসংগিক আৰু জাতীয় জীৱনৰ পৰম সম্পদ। এনে অৱদান স্বদেশহিতৈষণাৰ পৰিচায়ক। সেয়ে এনে সম্পদৰ প্ৰচাৰ আৰু প্ৰসাৰো অত্যন্ত প্ৰয়োজনীয়।[৩০]

---

৩০। "শিশুসকলক কালিলৈ দেশৰ বাবে উপযুক্তভাৱে গঢ় দিয়াত শিশু সাহিত্যৰ উপযোগিতা অপৰিহাৰ্য। আমাৰ দেশৰ শিশু সাহিত্যৰ ভঁৰাল বৰ টনকীয়াল বুলি ক'ব নোৱাৰি যদিও সাম্প্ৰতিক কালত দুৰ্বল বুলিও ক'ব নোৱাৰি।"
- নীলিমা শৰ্মা, শিশুৰ মানসিক বিকাশ আৰু বৰ্তমান শিশু সাহিত্য, *সাহিত্য চিন্তা*, চতুৰ্দশ সংখ্যা, ২০১১ খ্ৰীঃ, সম্পা. সুৰেশ নেওগ ঃ পৃ. ৮২